

টোকা

## গোট - 9 ঃ EVSৰ শিকনৰ মান নিৰূপণ (মূল্যাংকন)

# গাঁথনি


9.0 আৰম্ভণি

9.1 শিকনীয় উদ্দেশ্য

9.2 EVSৰ শিকন-শিক্ষণৰ বিষয়বস্তুৰ লগত মান বিশ্লেষণ কিদৰে জড়িত?

9.3 ছাত্ৰ-ছাত্ৰীৰ শিকনীয় অৰ্হতাৰ মান নিৰূপণ কিয় প্ৰয়োজনীয়?

9.3.1 মান নিৰূপণৰ চিনাক্তকৰণ আৰু পৰামৰ্শ প্ৰদানৰ উদ্দেশ্য

9.3.2 মান নিৰূপণে শিক্ষণৰ ওপৰতো মন্তব্য প্ৰদান কৰিব পাৰে

9.4 অবিৰত আৰু সামগ্ৰীক মূল্যায়ন

9.5. মান নিৰূপণৰ প্ৰকাৰ ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক

9.5.1 মান নিৰূপণ ঃ গঠনাত্মক উন্নয়ন (Formative), আৰু সামগ্ৰিক (Summative)

9.6 কিদৰে মান নিৰূপণ ব্যৱস্থাটো সম্পূৰ্ণ শুদ্ধ কৰিব পাৰি

9.7 শিকন কেন্দ্ৰিক মাপকাঠী

9.7.1 আত্ম বিশ্লেষণ বা সহপাঠীৰ দ্বাৰা বিশ্লেষণ (peer assessment)

9.7.2 ক্ৰমানুসৰি লোৱা বৃতান্ত তথ্য

9.7.3 প্ৰজেক্টৰ সহায়ত বিশ্লেষণ

9.7.4 সহযোগিতাৰ প্ৰকাৰ আৰু প্ৰসাৰতাৰ দ্বাৰা

9.8 সাৰাংশ

9.9 আত্ম উন্নয়নৰ নিৰূপণৰ বাবে চানেকি উত্তৰ চোৱা

9.10 উপাদানমূলক প্ৰসংগ পুথি

9.11 সম্পূৰ্ণ গোটৰ অনুশীলনী ঃ


## 9.0 আৰম্ভণি ঃ

স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ শিকনীয় পৰিৱেশৰ মান নিৰূপণ এটা অতি গুৰুত্বপূৰ্ণ বিষয়/অংশ। মান নিৰূপণে ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকৰ বাবে এটা অতি আনন্দদায়ক পৰিৱেশৰ সৃষ্টি কৰে। এজন শিক্ষকে প্ৰত্যেক দিনেই ছাত্ৰ-ছাত্ৰীসকলৰ



টোকা



উন্নয়নৰ মান নিৰূপণ কৰিহে পাছৰ দিনৰ পাঠদানলৈ আগবাঢ়ি যোৱা উচিত। সেয়েহে শিক্ষকজনে এটা অতি দায়িত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ মান নিৰূপণৰ ব্যৱস্থা হাতত লোৱাতো দৰকাৰ। আপোনালোকে ইতিমধ্যেই 3নং পাঠৰ 4নং ব্লকত সাধাৰণতে ব্যৱহৃত মান নিৰূপণ ব্যৱস্থাৰ ওপৰত পঢ়ি আহিছে। এইটো অধ্যায়ত আপোনালোকে কিছু বিষদ বিৱৰণ যেনে — 'কি', 'কিয় আৰু কেনেকৈ' EVSৰ মান নিৰূপণ হয় তাক পঢ়িব পাব। EVSৰ ক্ষেত্ৰত লোৱা মান নিৰূপণৰ প্ৰক্ৰিয়াৰ উপৰি আপোনালোকে বিভিন্ন আহিলা আৰু পদ্ধতিৰ বিষয়ে ইতিমধ্যে জানি আহিছে।

## 9.1 শিকনীয় উদ্দেশ্যসমূহ

এই অধ্যায়ৰ অধ্যয়নৰ অন্তত আপুনি নিম্নলিখিত কামসমূহৰ বিষয়ে জানিবলৈ সক্ষম হ'ব—

- EVS শিকনৰ মান নিৰূপণৰ কাৰণসমূহ ক'ব পৰা।
- EVSৰ ক্ষেত্ৰত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ব্যৱহাৰৰ বিষয়ে বিষদ বিৱৰণ দাঙি ধৰিব পৰা।
- মান নিৰূপণৰ বিভিন্ন প্ৰক্ৰিয়া— আনুষ্ঠানিক/অনানুষ্ঠানিক গঠনাত্মক আৰু সামগ্ৰিক মান নিৰূপণৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰিব পৰা।
- ফলদায়ক মান নিৰূপণৰ অভ্যসন বৈশিষ্ট্যৰ তালিকা কৰিব পৰা।
- বিভিন্ন 'শিকন কেন্দ্ৰিক' প্ৰক্ৰিয়াৰ দ্বাৰা মান নিৰূপণৰ পদ্ধতি ব্যৱহাৰ কৰিব পৰা।

## 9.2 EVSৰ শিক্ষণ-শিকনৰ বিষয়বস্তুৰ লগত মান নিৰূপণ কিদৰে জড়িত

EVSৰ বিষয়বস্তুৱে ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ চাৰিওকাষৰ মাজত বলিষ্ঠ বন্ধনৰ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেয়েহে মান নিৰূপণে বিশ্লেষণে এই প্ৰক্ৰিয়াটোৰ সঠিক পথেৰে আগুৱাই যোৱাত সহযোগিতাৰ পথ দেখুৱায়।

মান নিৰূপণে শিকাৰুজনৰ শিকনৰ ফলত আহৰণ কৰা জ্ঞান, বৌদ্ধিক বিকাশ, সংৰক্ষণ আৰু শিকাৰুজনে শিকি ব্যৱহাৰ কৰিব সক্ষম হৈছেনে নাই তাৰ আভাষ লয়। শৈক্ষিক কাৰ্য বা শিকন অভিজ্ঞতা কিছুমান শৈক্ষিক বিষয়বস্তুৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে, যদিহে এজন শিক্ষকে দেখে যে তেওঁৰ ছাত্ৰ-ছাত্ৰীজনে তেওঁৰ ওপৰত নিৰূপিত কাম, স্কুল পৰিসৰৰ উদ্ভিদবিলাকত পানী দিয়া কাৰ্যটো নিয়মিতভাৱে হাঁহিমুখে আনন্দমনে নিজে নিজে কৰি গৈছে তেন্তে তেওঁ EVSৰ সেই বিষয়ে (মনোভাব আৰু মূল্যবোধৰ সৈতে জড়িত) মান নিৰূপণ কৰিব পাৰিব।



টোকা

## 9.3 ছাত্ৰ-ছাত্ৰীৰ শিকনৰ মান নিৰূপণ কিয় প্ৰয়োজনীয়?

মান নিৰূপণে কিছুমান কাৰকৰ বিশ্লেষণ দিয়ে—

- ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ক্ষেত্ৰত বৌদ্ধিক বিকাশৰ উন্নয়ন কিদৰে আৰু কিমান হ'ল তাক উমান পায়।
- EVSৰ উদ্দেশ্য আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা EVSৰ অনুভৱৰ পাৰ্থক্যৰ উমান লৈ প্ৰয়োজনীয় ব্যৱস্থা চিনাক্ত কৰা।
- ছাত্ৰ-ছাত্ৰী উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে ল'বলগীয়া বিহিত লোৱা আৰু তেওঁলোকক ভৱিষ্যৎ শিক্ষাৰ বাবে সহায় আৰু উদ্বুদ্ধ কৰা।

**অগ্ৰগতিৰ খতিয়ান-1**

আপুনি EVSৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা মান নিৰূপণ প্ৰক্ৰিয়া/প্ৰণালীসমূহ মনত পেলাওক।

ওপৰত উল্লেখিত তিনিওটা পইণ্টৰ ক্ষেত্ৰত আপুনি মান নিৰূপণৰ প্ৰক্ৰিয়াসমূহ কিদৰে ব্যৱহাৰ কৰিছিল? উত্তৰসমূহ তলত লিখক ঃ

......................................................................................................................

......................................................................................................................

......................................................................................................................

......................................................................................................................

### 9.3.1 চিনাক্তকৰণ আৰু পৰামৰ্শ প্ৰদানৰ লক্ষ্যৰে মান নিৰূপণ

মান নিৰূপণ প্ৰক্ৰিয়াই শিক্ষকজনক শিক্ষণ-শিকনৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধাসমূহ যেনে- ভুলকৈ ধাৰণা ল'ব পৰা, সামগ্ৰিকতাৰ ক্ষেত্ৰত থকা বাধা, বা শিকনৰ ক্ষেত্ৰত থাকি যোৱা বিভিন্ন ব্যৱধান আদিবোৰ চিনাক্তকৰণত সহায় কৰে। এইটো মান নিৰূপণৰ এটা কাৰণহে, ইয়াতেই শেষ নহয়। ভাল মান নিৰূপণ প্ৰক্ৰিয়াই চিনাক্তকৰণৰ পাছত প্ৰতিকাৰৰ ব্যৱস্থাৰ উপৰি আৰু বহুতো কথা বিবেচনাৰ বাবে ল'ব লাগে। অৰ্থাৎ শিক্ষক হিচাবে বা শিক্ষা আহৰণৰ উৎস হিচাবে বা সহ শিকাৰু হিচাবে এবাৰ আপুনি যেতিয়া ছাত্ৰ-ছাত্ৰীৰ শক্তিশালী বা দুৰ্বল ক্ষেত্ৰবোৰ জানি লয়, তেতিয়াই আপুনি ছাত্ৰ-ছাত্ৰী পৰৱৰ্তী অধ্যয়নৰ ক্ষেত্ৰত তেওঁলোকক উপদেশ দিব পাৰিব। সঠিকভাৱে অসুবিধাবোৰৰ চিনাক্তকৰণে শিক্ষকজনকো তেওঁ ল'ব লগা প্ৰতিকাৰমূলক ব্যৱস্থাৰ আভাস দিয়ে। সেয়েহে পৰামৰ্শ মান নিৰূপণৰ দ্বিতীয় কাৰক।

এজন ভাল শিক্ষকে মান নিৰূপণক চিনাক্তকৰণ আৰু পৰামৰ্শৰ বাবে ব্যৱহাৰ কৰে। শিক্ষকে লগে লগে প্ৰতিকাৰমূলক ব্যৱস্থাৰ দ্বাৰা শিকন প্ৰক্ৰিয়াটো ফলপ্ৰসূ আৰু



টোকা



পাৰ্গত কৰি অবধাৰিতভাৱে শিশুক আগুৱাই লৈ যাব পাৰে।

**অগ্ৰগতিৰ খতিয়ান- 2**

‘পৰিয়াল আৰু বন্ধু’ EVSৰ এই পাঠটোৰ যিকোনো এটা পাঠাংশৰ উদ্দেশ্য আপোনাৰ শ্ৰেণীকোঠাৰ বাবে ভাবি লওক। সেই পাঠটোৰ বাবে লোৱা যিকোনো এটা মান নিৰূপণ প্ৰক্ৰিয়া মনত পেলাওঁক। ছাত্ৰ-ছাত্ৰীয়ে শিকনৰ ক্ষেত্ৰত কিবা ব্যৱধান বা ভুলকৈ শিকাৰ কিবা কথা আপুনি দেখিছিল নেকি? মান নিৰূপণৰ পৰা লাভ কৰা জ্ঞানেৰে আপুনি ছাত্ৰ-ছাত্ৰীসকলক কিদৰে পিছৰ পৰ্যায়ত পাঠৰ বাবে পৰামৰ্শ আগবঢ়ালে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 9.3.2 মান নিৰূপণে শিক্ষণৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে

মান নিৰূপণে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ক্ষেত্ৰত ল’ব লগা প্ৰতিকাৰ সম্বন্ধে আমাক জানিব দিয়ে। EVS শিক্ষাৰ কোনটো উদ্দেশ্য কিমান ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ব কৰিছে তাক আমি ইয়াৰ দ্বাৰা জানিব পাৰোঁ। গতিকে ইয়াৰ পৰা শিক্ষকজনেও কেনেধৰণে শিকাব পাৰিছে তাকো অৱগত হয়। তলৰ চিত্ৰাংকনখনলৈ মন কৰা। প্ৰতিকাৰমূলক ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীজনৰ কেৱল কাৰ্যকলাপৰ ওপৰতে প্ৰতিফলিত নকৰে ই শিক্ষণৰ জৰিয়তে EVS উদ্দেশ্যসমূহৰ ওপৰত আৰু শিকন অভিজ্ঞতাৰ জৰিয়তে EVS উদ্দেশ্যসমূহৰ ওপৰত কিদৰে আলোকপাত কৰিব পাৰে দেখিছানে?





টোকা

## 9.4 অবিৰত আৰু সামগ্ৰিক মূল্যায়ন

শিকন ব্যৱস্থাটো এটা অবিৰত ব্যৱস্থা সেয়েহে 'শিকনৰ মান নিৰূপণ/হোৱা উচিত। এই মান নিৰূপণৰ ফলত শিক্ষকজনে ছাত্ৰ-ছাত্ৰীয়ে শিকিবলৈ বৈ যোৱা বা অসুবিধা পোৱা কথাখিনি চিনাক্তকৰণত সুবিধা পায়। যদিহে এই অসুবিধাবোৰ অতি সোনকালে চিনাক্তকৰণ কৰিব পৰা যায় শিকন প্ৰক্ৰিয়াটো অবিৰতভাৱে সুস্থ আৰু সৰলকৈ আগবঢ়াই নিবলৈ সুবিধা হয়। শ্ৰেণীকোঠাত হোৱা এনেধৰণৰ বিশ্লেষণে এই কাৰ্য কৰোতাজনক আৰু ছাত্ৰ-ছাত্ৰীসকলক একেলগে সজোৰে আগুৱাই লৈ যাব পাৰে।

আমি আশা কৰো যেন নতুন শিক্ষকসকলে EVS শিকন ব্যৱস্থাটো চাইকেল চলোৱাৰ দৰে সহজ কৰি তুলিব পাৰে।



EVS ৰ Block-1 তে আপোনালোকে পঢ়ি আহিছে যে পৰিৱেশ অধ্যয়ন বিষয়টো বহু বিষয়ৰ সমাহাৰ। সেয়ে EVS ৰ শিকনৰ ক্ষেত্ৰত আমি গোটেই কেইটা বিষয়ৰ লগত সম্বন্ধ স্থাপন কৰি বুজি উঠাটোত গুৰুত্ব আৰোপ কৰি শিক্ষণ প্ৰদান কৰো। EVS ৰ ক্ষেত্ৰত শিক্ষণ-শিকন প্ৰক্ৰিয়াটোৰ পৰা ছাত্ৰ-ছাত্ৰীৰ বিশ্লেষণাত্মক গুণ বৃদ্ধিকৰণ, সমালোচনাধৰ্মী চিন্তাশক্তিৰ বিকাশৰ ক্ষেত্ৰত জোৰ দিয়া হয়। এই প্ৰক্ৰিয়াটোকে ধনাত্মক আচৰণ আৰু স্পষ্ট মূল্যবোধ শিক্ষা আহৰণক সমৰ্থন কৰে। এই প্ৰক্ৰিয়াটোৰ মুখ্য উদ্দেশ্য হৈছে শিশুসকলক আমাৰ দেশৰ প্ৰাকৃতিক বা সামাজিক বিভিন্নতাৰ দিশটোৰ প্ৰতি সংবেদনশীল আৰু স্পৰ্শকাতৰ কৰি সুস্থ নাগৰিক কৰি গঢ়ি তোলা।



টোকা

সেয়েহে EVSৰ শিকনৰ মান নিৰূপণৰ ক্ষেত্ৰত বিশ্লেষণ প্ৰক্ৰিয়াটোৱে সামগ্ৰিকতাৰ ওপৰত গুৰুত্ব দিয়ে। বিশ্লেষণ প্ৰক্ৰিয়াটো নিজাববীয়াকৈ, শিক্ষকৰ দ্বাৰা, অভিভাৱকৰ দ্বাৰা, বা কেতিয়াবা অন্য কোনো সংস্থাৰ দ্বাৰা কৰিব পৰা যায়। ইয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতিচ্ছবি গঠনত সহায় কৰে।

EVSৰ উদ্দেশ্যসমূহত উপনীত হ'বলৈ শিকাৰুসকলে মূৰ, হাত আৰু হৃদয় তিনিওটা একেলগে ব্যৱহাৰ কৰিব লাগিব। শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীৰ পঞ্চেন্দ্ৰিয়ক ব্যৱহাৰ কৰোৱাই শিকাব লাগিব যাতে তেওঁলোকে ন্যায়সংগত বিবেচনা (logical thinking) উদ্ভাৱনীমূলক চিন্তাৰ (creative thinking) অধিকাৰী হৈ তেওঁলোকৰ অনুভৱবোৰ প্ৰকাশ কৰিব পৰাকৈ মানসিক বিকাশ ঘটে। গতিকে মূল্যাংকন (মান নিৰূপণ) ব্যৱস্থাটোৰ এনেকুৱা হ'ব লাগিব যতে পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা, ন্যায়সংগত বিবেচনাৰ উদ্ভাবনীমূলক চিন্তা শক্তিৰ আৰু অনুভৱ এই আটাইবোৰৰ বাবে শিকা কথাবোৰৰ মূল্যায়ন কৰিব পৰা যায়।

শিক্ষকসকলে শিশুসকলৰ শিকন স্তৰৰ মূল্যাংকন (মান নিৰূপণ)ৰ বাবে মৌখিক, লিখিত আৰু কাৰ্যকলাপৰ ব্যৱস্থা কৰি কৰিব পাৰে। তেওঁলোকে কেতিয়াবা ব্যক্তিগতভাৱে বা প্ৰয়োজনসাপেক্ষে দলগতভাৱে কৰি বা গোটেই শ্ৰেণীকোঠাটোকেই একে লগে সাঙুৰি মান নিৰূপণৰ ব্যৱস্থা কৰিব পাৰে। তেওঁলোকে প্ৰত্যেকটো প্ৰক্ৰিয়াকে সমানে গুৰুত্ব দি আগবাঢ়িব লাগে। এনেধৰণৰ বহুমুখী আৰু সংতুলিত মূল্যাংকন ব্যৱস্থা হৈ মূল্যায়নত সামগ্ৰিকতা বজাই ৰাখিব পাৰে।

উদাহৰণ স্বৰূপে 'খাদ্য' বিষয়বস্তুটো ধৰা হওঁক। তাৰ সামগ্ৰিক মূল্যায়নে তলৰ কথাকেইটা সাঙুৰি ল'ব—

1. জন্তুৱে খোৱা খাদ্যৰ ওপৰত গ্ৰুপত আলোচনা
2. 'খাদ্য' আৰু 'সোৱাদ' এটাক আনটোৰ লগত মিলোৱা
3. গোন্ধৰ দ্বাৰা খাদ্যবস্তুৰ চিনাক্তকৰণ
4. স্পৰ্শৰ দ্বাৰা ফল আৰু পাচলিৰ চিনাক্তকৰণ
5. বিভিন্ন খাদ্য চোবোৱাৰ ফলত উদ্ভৱ হোৱা শব্দৰ দ্বাৰা খাদ্যৰ চিনাক্তকৰণ। উদাহৰণস্বৰূপে- কুৰমুৰীয়া, কোমল
6. সৌন্দৰ্যবৰ্ধকভাৱে খাদ্যবস্তুসমূহ প্লেটত সজাই তোলা
7. গাখীৰৰ পৰা বিভিন্ন প্ৰকাৰে দৈৰ প্ৰস্তুতকৰণ
8. নিজৰ আৰু আনৰ টিফিন বক্সৰ পৰা তুমি ভাল পোৱা খাদ্য এটাৰ নাম।
9. বন্ধু বা পৰিয়ালৰ লোকসকলে ভাল পোৱা খাদ্য সামগ্ৰীৰ লিষ্ট তৈয়াৰ কৰা।


টোকা

শিশুৰ মুক্ত আৰু নিশ্চিত শিক্ষাৰ অধিকাৰ (RTE), Act 2009 মৰ্মে CCEৰ অৰ্থ হৈছে- ছাত্ৰ-ছাত্ৰীসকলক বছৰৰ শেষত লোৱা এটা পৰীক্ষাৰ পৰিবৰ্তে গোটেই বছৰটোত বিষয় সাপেক্ষে অবিৰতভাৱে মূল্যায়ন কৰা। প্ৰত্যেক শিক্ষকে শিশুৰ উন্নয়নৰ বাবে সুবিধা প্ৰদান কৰা আৰু শিকনক আনন্দময় কৰি তোলা। ছাত্ৰ-ছাত্ৰীৰ মাজত থকা বিভিন্ন প্ৰতিভাবোৰৰ আভাস লোৱা আৰু অন্যান্য অনানুষ্ঠানিক মূল্যায়নৰ জৰিয়তে শিকনৰ মাজত ৰৈ যোৱা ঘাটিবোৰ পৰিপূৰ্ণ কৰি তোলা (এই বিষয়ে CCEৰ ক্ষেত্ৰত পাঠ -3 Unit 13 আৰু 16 ত ইতিমধ্যেই পঢ়ি অহা হৈছে।)

CCEৰ ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষকসকলে কি কথাৰ সমাহাৰৰ দ্বাৰা এটা সুস্থ মূল্যায়ন ব্যৱস্থা হ'ব পাৰে তাৰ বাবে সজাগ হৈ জানি লোৱাটো নিত্যান্তই আৱশ্যকীয়।

## 9.5 মান নিৰূপণৰ প্ৰকাৰ ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক

তলৰ উদাহৰণ কেইটা বিবেচনা কৰো আহক—

- ছাত্ৰ এজনৰ 'চৰাইৰ আচৰণ' সম্বন্ধে লিখা উত্তৰ পত্ৰখন শিক্ষকজনে নিৰীক্ষণ কৰি আছে।
- সেই একেজন শিক্ষকে দুজন ছাত্ৰৰ কথোপকথনখিনি এতিয়া শুনি আছে য'ত এজন ছাত্ৰই তেওঁৰ মোমায়েকৰ ফাৰ্মত থকা চৰাই এজনীৰ বিষয়ে কৈ আছিল।

উক্ত উদাহৰণ কেইটাই ক্ৰমাগতভাৱে শিক্ষকজনে কৰা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মান নিৰূপণৰ ব্যৱস্থাটো দৰ্শাইছে। মৌখিক বা লিখিত যিকোনো পূৰ্ব নিৰ্ধাৰিতভাৱে প্ৰস্তুত কৰা মূল্যাংকন প্ৰক্ৰিয়াক আনুষ্ঠানিক মূল্যায়ন বোলা হয়। অনানুষ্ঠানিক মূল্যায়নৰ ক্ষেত্ৰত সাধাৰণতে প্ৰাকৃতিকভাৱে, কোনো আনুষ্ঠানিকতা নথকাকৈ কৰা মূল্যায়ন আৰু এনেধৰণৰ মূল্যায়নৰ ক্ষেত্ৰত সাধাৰণতে ছাত্ৰ-ছাত্ৰীক আগতে অৱগত কৰা নহয় আনহাতে আনুষ্ঠানিক মূল্যায়নৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল পূৰ্বতেই অৱগত হয়। শিশুহঁতৰ শ্ৰেণীকোঠাৰ আচৰণ, খেল পথাৰৰ কাৰ্যকলাপ, কাৰোবাক লগ কৰা মুহূৰ্তবোৰ, ছাত্ৰ-ছাত্ৰীৰ বিশেষ ধৰণৰ আচৰণ আৰু অভ্যাসবোৰ নিৰীক্ষণ কৰি টুকি ৰখা হয়। এই আটাইবোৰ অনানুষ্ঠানিক মূল্যাংকনৰ নিদৰ্শন।

### 9.5.1 মান নিৰূপণ ঃ গঠনাত্মক, সামগ্ৰিক মান নিৰূপণ

'জীৱিত প্ৰাণীসমূহৰ মাজত থকা ওচৰ সম্বন্ধসমূহ' EVSৰ এই উদ্দেশ্যটোৰ ওপৰত নিৰ্ভৰ কৰি মান নিৰূপণত দুটা নমুনা/চানেকী দাঙি ধৰা হ'ল। ইয়ে জীৱিত প্ৰাণীৰ প্ৰতি স্পৰ্শকাতৰ মূল্যবোধৰ সৃষ্টি কৰাত সহায় কৰিব।

1. এদিনাখন এজন শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত ভ্ৰমণলৈ গ'ল। তেওঁ



টোকা

এসপ্তাহ আগতে শ্ৰেণীকোঠাত 'কীট পতংগৰ প্ৰকৃতিৰ প্ৰতি অবদান' বিষয়টো আলোচনা কৰিছিল। ভ্ৰমণ কালত তেওঁ দেখিলে যে এজন ছাত্ৰই এটা মৌমাখি মাৰি পেলালে। তেওঁ ছাত্ৰ-ছাত্ৰীগৰাকীৰ লগত আলোচনা কৰি বুজিব পাৰিলে সি/তাই মৌমাখিলৈ ভয় কৰে। শিক্ষকে ছাত্ৰ/ছাত্ৰীগৰাকীক মৌমাখিয়ে কেনেকৈ পৰাগৰেণু কঢ়িয়াই অংকুৰণত সহায় কৰে আকৌ এবাৰ ক'লে মনত পেলাই দিলে। পাছত তেওঁ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এটা নাটক কৰালে যাৰ মূল বিষয়টো আছিল সকলো জীৱিত প্ৰাণীৰে আমাৰ দৰেই জীয়াই থকাৰ অধিকাৰ আছে।

এইদৰেই সময় সাপেক্ষে (timely Assessment) লোৱা মূল্যায়ন ব্যৱস্থাই শিক্ষকসকলক ছাত্ৰ-ছাত্ৰী শিকনৰ ক্ষেত্ৰত মাজে মাজে ৰৈ যোৱা শিকনখিনিৰ আভাষ পোৱাত সহায় হয়। এইটো এটা গঠনমূলক মূল্যায়নৰ নমুনা।

শিক্ষকজনে ছাত্ৰজনৰ ৰৈ যোৱা শিকনখিনি লগে লগে আভাষ লৈ পুনৰ শিক্ষণৰ ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ শিকনত সহায় কৰিব পাৰে। সেয়েহে গঠনমূলক মূল্যায়ন ব্যৱস্থাটোৱে ছাত্ৰ-ছাত্ৰীক ৰৈ যোৱা শিকনৰ আভাষ লৈ শুধৰণিৰ ব্যৱস্থা লগে লগে ল'ব পৰাত সহায় কৰে।

2. এইটো এটা EVS বিষয়ৰ এটা পাঠ সমাপ্তিৰ পিছত লোৱা পৰীক্ষাৰ উদাহৰণ। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলে পাঠটো কিমান ভালদৰে বুজি পালে তাৰ উমান ল'বলৈ এটা লিখিত পৰীক্ষা পাতিলে আৰু প্ৰশ্নটো এনেধৰণে লিখিলে— মানুহ, উদ্ভিদ, কীটপতংগ, আৰু অন্যান্য জীৱ-জন্তুৰ মাজত থকা সম্বন্ধৰ বিষয়ে লিখা। লিখিত পৰীক্ষাৰ উপৰি শিক্ষকে গ্ৰুপ আলোচনাৰ ব্যৱস্থা কৰিলে যিয়ে তেওঁক সামগ্ৰিক মূল্যায়নত সহায় কৰে।

EVSৰ আন এটা পাঠ 'আমাৰ পৰিয়াল আৰু বন্ধু'ৰ শেষত লোৱা ছাত্ৰ-ছাত্ৰী কাৰ্যকলাপৰ মূল্যায়নে শিক্ষকজনক যিসকল ছাত্ৰ-ছাত্ৰীয়ে পাঠটো ভালকৈ বুজি পোৱা নাই তাৰ নাম আৰু সংখ্যা জনাতহে সহায় কৰে। সামগ্ৰিক (মান নিৰূপণ (Summative Assessment)ৰ দ্বাৰা শিক্ষকজনে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত সৃষ্টি হোৱা প্ৰমুখ অৱকাশ (major gap) সম্বন্ধে জ্ঞাত হয়। শিক্ষকজনে দেখে যে চল্লিশজন ছাত্ৰ-ছাত্ৰীৰ মাজত যি ক্ষেত্ৰত সকলোৱে পৰিয়ালৰ বিভিন্ন সদস্যৰ মাজত থকা সম্বন্ধৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পাইছে তেনে ক্ষেত্ৰত এটা অংশই (চৌদ্ধজন) ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱা নাই। অনুধাবনৰ পাছত শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলৰ লগত প্ৰাকৃতিকভাৱে উৎসাহপূৰ্ণ এটা কথোপকথনৰ আয়োজন কৰিলে।



টোকা

**অগ্ৰগতিৰ খতিয়ান - 3**

উক্ত দৃশ্যপটে ছাত্ৰ-ছাত্ৰীসকলৰ শিকন কিদৰে প্ৰভাবান্বিত কৰিব যদিহে

(ক) শিক্ষকজনে গঠনাত্মক মান নিৰূপণৰ ব্যৱস্থা নকৰে?

(খ) শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলে কিমান বুজিলে আৰু কিমান নুবুজিলে তাৰ ফলাফলৰ বিশ্লেষণ নকৰে? শুধৰণীমূলক ব্যৱস্থাটো যদি লগে লগে বা একেবাৰে নকৰে তেন্তে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ক্ষেত্ৰত কি পৰিণাম হ'ব?

গঠনাত্মক আৰু সামগ্ৰিক মান নিৰূপণ দুয়োটা (মূল্যাংকন) ব্যৱস্থাই শিক্ষকজনক ছাত্ৰ-ছাত্ৰীৰ উন্নয়ন সম্বন্ধে জ্ঞান লাভ আৰু শ্ৰেণীকোঠাৰ শিকন ব্যৱস্থা সুগম হৈছেনে নাই তাক জনাৰ বাবে প্ৰয়োজনীয় আৰু অতি আৱশ্যক ভূমিকা লয়।

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

## 9.6 কিদৰে মান নিৰূপণ ব্যৱস্থাটো সম্পূৰ্ণ শুদ্ধ কৰিব পাৰি

কোনো এটা মান নিৰূপণ প্ৰক্ৰিয়া আমি কেতিয়া ভাল বুলি কওঁ? প্ৰক্ৰিয়াটো ভাল আৰু শুদ্ধ ফলদায়ক বুলি তেতিয়া কওঁ যেতিয়া ই বাস্তৱিক, ভৰসাযোগ্য,ন্যায়পূৰ্ণ, স্থিতি অনুৰূপ সালসলনি কৰিব পৰা ধৰণৰ হয়। শুদ্ধ মান নিৰূপণ প্ৰক্ৰিয়াৰ চাৰিটা গুণাগুণ তলত উল্লেখ কৰা হ'ল।

- EVS ৰ উদ্দেশ্যৰ লগত খাপ খোৱাকৈ যিবোৰ শিকনীয় অভিজ্ঞতা প্ৰদান কৰা হয় সেইবোৰ মূল্যাংকন প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত। ইয়ে উদ্দেশ্যৰ বাবে প্ৰয়োজনীয়, আৱশ্যকীয় নিপুণতা আৰু জ্ঞান, অৰ্হতাৰ বিভিন্ন দিশ আৰু মূল্যবোধ সকলোবোৰ মূল্যায়ন কৰা হয়।
- যেতিয়া কেবাজনো শিক্ষকে এক বিশেষ পৰিসৰৰ ওপৰত পৰীক্ষা লৈ একেধৰণৰ মূল্যাংকনত উপনীত হয় তেনে ব্যৱস্থাকে ভৰসাযোগ্য মূল্যাংকন ব্যৱস্থা বুলিব পাৰি। 'অতি চমু উত্তৰ' সম্বন্ধীয় মূল্যায়ন প্ৰক্ৰিয়াৰ অন্তৰ্গত 'ক অংশৰ লগত খ অংশ মিলোৱা' ধৰণৰ প্ৰশ্নবোৰ ৰচনাধৰ্মী প্ৰশ্নতকৈ বেচি ভৰসাযোগ্য।
- ন্যায়সংগত প্ৰক্ৰিয়াই কোনো ছাত্ৰৰে ব্যক্তিত্ব আৰু প্ৰাথমিকতাক অগ্ৰাধিকাৰ নিদিয়ে আৰু প্ৰত্যেকজন ছাত্ৰকে সমপৰ্যায়ত বুলি বিবেচনা কৰি মূল্যাংকন কৰে।
- শিক্ষণ-শিকন পৰ্যায়ৰ ওপৰত নিৰ্ভৰ কৰি যি প্ৰক্ৰিয়াৰ দ্বাৰা উদ্দেশ্যসমূহৰ



টোকা

আহৰণৰ মূল্যাংকন কৰা হয় তাকে স্থিতি অনুৰূপে সালসলনি কৰি পুনৰ মূল্যাংকন কৰিব পাৰি।

ইয়াৰ উপৰি মূল্যাংকনৰ আন এটা ভাল দিশ হৈছে শিকন প্ৰক্ৰিয়াৰ বিশ্লেষণাত্মক আলোচনা। ই মাত্ৰ শিকাৰুৰে মূল্যাংকন নকৰে; ইয়ে শিকন ফলফলক মূল্যাংকন নকৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াটোক মূলতঃ মূল্যাংকন কৰে। অৰ্থাৎ শুদ্ধ মূল্যাংকন প্ৰক্ৰিয়াটো সদায় শিকনকেন্দ্ৰিক।

## 9.7 শিকনকেন্দ্ৰিক মূল্যাংকন/মান নিৰূপণ

এতিয়ালৈকে আমি বিভিন্ন প্ৰকাৰে মূল্যাংকন ব্যৱস্থাটো যে শিকনকেন্দ্ৰিক তাকে আলোচনা কৰি আছিলো। অৰ্থাৎ শিক্ষকজনে যেতিয়া মূল্যাংকন কৰে 'শিকন' তেওঁৰ বাবে কেন্দ্ৰবিন্দু হয়। এই কথাটোকে প্ৰতিপন্ন কৰিবলৈ তেওঁ বিভিন্ন প্ৰকাৰৰ মূল্যাংকন ব্যৱস্থা হাতত লয়। আমি ইতিমধ্যে মৌখিক, লিখিত আৰু কাৰ্যকলাপৰ দ্বাৰা কৰা মূল্যাংকন ব্যৱস্থাৰ বিষয়ে আগত হৈছো। ইয়াৰ উপৰি আৰু কিছুমান মূল্যাংকন ব্যৱস্থা হ'ল যেনে —

- স্ব-মূল্যাংকন
- যুৰীয়া মূল্যাংকন
- ক্ৰমানুসৰি লোৱা বৃতান্ত তথ্যcumulative anecdotal records
- প্ৰকল্পৰ দ্বাৰা কৰা মূল্যাংকন
- সহযোগিতাৰ প্ৰকাৰ আৰু প্ৰসাৰতা

### 9.7.1 স্ব-মূল্যাংকন আৰু যুৰীয়া বিশ্লেষণ ঃ

শিশুসকলে কিমান শিকিলে তাক জানিবলৈ বিভিন্ন প্ৰকাৰৰ মূল্যাংকন ব্যৱস্থা অৱলম্বন কৰিব পৰা যায়। কেতিয়াবা শিশুসকলে নিজেই আৰু সমনীয়াসকলৰ শিকন পৰিমাণৰ মূল্যাংকনৰ প্ৰয়োজন হয় আৰু শিক্ষকসকলে শিকন প্ৰক্ৰিয়াৰ এইটো এটা আৱশ্যকীয় অংশ হিচাপে গণ্য কৰাটো প্ৰয়োজনীয়। চাৰ মেথিউয়ে তেওঁৰ দুদিনৰ ক্লাচত প্ৰতিজন ছাত্ৰকে তেওঁলোকে নিজ চকুৰে দেখা এটা জন্তু বা চৰাইৰ বিষয়ে বিৱৰণ দিবলৈ ক'লে। তাৰ পিছত তেওঁ প্ৰতিজন ছাত্ৰকে তেওঁৰ বিৱৰণৰ যিকোনো এটা দিশ আৰু দুটা বস্তুৰ এটা লিষ্টি বনাব ক'লে যি ক্ষেত্ৰত তেওঁলোকে আৰু অলপ উন্নয়ন কৰিব লাগে বুলি অনুভৱ কৰে। ইয়াকে স্ব-মূল্যাংকন আখ্যা দিয়া হৈছে। এনে ধৰণে এমাহলৈকে বিভিন্ন শিকনীয় অৰ্হতাৰ ওপৰত স্ব-মূল্যাংকন প্ৰক্ৰিয়াৰ দ্বাৰা মূল্যায়ন চলাই থাকিল আৰু শেষত এমাহৰ মূৰত ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে নিৰ্দিষ্ট অৰ্হতাৰ ক্ষেত্ৰত যি উন্নয়ন মূলক ব্যৱস্থা লৈছিল তাৰ ক্ষেত্ৰত লাহে লাহে হোৱা অগ্ৰগতি



টোকা

হোৱাতো লক্ষ্য কৰিছিনে নাই সুধিলে। আপুনিও আপোনাৰ শ্ৰেণীকোঠাত এই প্ৰক্ৰিয়াটো ব্যৱহাৰ কৰিব বিচাৰিবনে? এনেধৰণৰ স্ব-মূল্যাংকনৰ উপযোগিতা কি হ'ব পাৰে?

যেতিয়া এজন ছাত্ৰই তেওঁৰ সমনীয়া বন্ধু-বান্ধৱীজনে অকা স্কুলৰ চাৰিসীমাৰ মেপখন প্ৰশংসা কৰিব ই যুৰীয়া মূল্যাংকনৰ উৎকৃষ্ট উদাহৰণ। শিক্ষকসকলে প্ৰত্যেকজন ছাত্ৰকে তেওঁৰ নিচেই ওচৰত বহা শ্ৰেণীকোঠাৰ বন্ধু/বান্ধৱীজনৰ নিৰ্দিষ্ট যিকোনো এটা প্ৰতিভাৰ প্ৰশংসা কৰিবলৈ ক'ব আৰু উত্তৰটো যুৰীয়া মূল্যাংকন হিচাবে লিপিবদ্ধ কৰি ৰাখিব।

বিভিন্ন ধৰণৰ স্ব-মূল্যাংকন মূল্যায়ন আৰু যুৰীয়া মূল্যাংকন সামগ্ৰিক সৰ্বাংগীন মূল্যাংকন প্ৰক্ৰিয়াটোত বহুতো মূল্যবোধৰ অংশীভূত কৰায়। নিজে নিজক কৰা প্ৰশংসা বা সহযোগীয়ে কৰা প্ৰশংসাই নিজৰ মনত উৎসাহ দিয়ে। ইয়ে ছাত্ৰ এজনৰ আত্মসন্মান গঢ়াত সহায় কৰে। সহযোগী শিক্ষাৰ সময়ত গ্ৰুপৰ সদস্যসকলক এজনে আনজনৰ সামাজিক আচৰণ যেনে- আনজনক কৰা সহযোগিতা আৰু উৎসাহ আদি ধনাত্মক দিশৰ ওপৰত মূল্যাংকন কৰিবলৈ কোৱা হয়। এই ক্ষেত্ৰত শিক্ষকজনে স্ব-মূল্যাংকন আৰু যুৰীয়া মূল্যাংকনৰ ক্ষেত্ৰত যাতে কোনোৱে অতি প্ৰশংসামূলক বা অতি সমালোচনামূলক মূল্যায়ন কৰিব নোৱাৰে তাৰ বাবে সাবধানবাণী আৰম্ভণিতে শুনাব লাগে আৰু নিজেও সতৰ্ক হ'ব লাগে।

## Sociometry সামাজিক প্ৰক্ৰিয়া-

Joeob Moreno (1887-1974) ৰ দ্বাৰা বিকশিত ৰ মুখ্য উদ্দেশ্য হৈছে গ্ৰুপত কৰা কামৰ ফলপ্ৰসূতা আৰু সহকৰ্মীৰ সন্তুষ্টি সুগম কৰা আৰু এই দুয়োটাই ছাত্ৰ-ছাত্ৰীসকলৰ পৰস্পৰৰ মাজত ব্যৱহাৰ সুহৃদয়তা গঢ়ি তোলে আৰু তেওঁলোকৰ মাজত থকা সম্বন্ধৰ বাস্তৱিকতাৰ আভাষ দিয়ে।

শিক্ষকসকল জ্ঞাত যে তেওঁলোকে কামকৰা ছাত্ৰ-ছাত্ৰীৰ গ্ৰুপবোৰ কিছুমান ব্যক্তিত্বৰ সমাহাৰ। এই গ্ৰুপবিলাকৰ গঠন আৰু আকাৰ ঃ যেনে - তাত কিছুমান আদৰ্শ উপ গ্ৰুপ, গোট আৰু বিশিষ্ট বন্ধুৰ দ্বাৰাহে হৈছে। দলে কেতিয়াবা কেতিয়াবা কোনো এজনক বেয়াও পায় বা অংশগ্ৰহণ কৰিব নিদিয়ে। বন্ধুত্ব আৰু বহিঃস্মৰণৰ প্ৰকাৰে, দলটোৱে কিদৰে শিকন পৰিৱেশটোৰ লগত প্ৰতিক্ৰিয়া কৰিব তাৰ ওপৰত বিশিষ্ট ভূমিকা লয় আৰু কি কি বিভিন্ন দল পৰিচালনা প্ৰক্ৰিয়া লোৱাটো দৰকাৰ তাক আঙুলিয়াই দিয়ে।

যুৰীয়া মূল্যায়নৰ ক্ষেত্ৰত Sociometry এটা আৱশ্যকীয় আহিলা। সাধাৰণতে ইয়ে শিক্ষকসকলক আটাইতকৈ জনপ্ৰিয় আৰু অকলশৰীয়া ছাত্ৰজনক ছাত্ৰ-ছাত্ৰীৰ দলটোত বিচাৰি পোৱাত সহায় কৰে। Sociometry প্ৰক্ৰিয়াৰ সহায়ত শিক্ষক এজনে



টোকা



ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সহসম্বন্ধৰ বিষয়ে আভাষ পায়। তলত উদাহৰণেৰে সৈতে বুজোৱা হ'ল—

## 9.7.2 ক্ৰমানুসৰি লোৱা বৃতান্ত তথ্য

শিক্ষয়িত্ৰী মনোৰমাই তেওঁৰ শিক্ষাৰ্থীসকলৰ মূল্যায়নৰ বাবে সদায় Anecdotal Records ব্যৱহাৰ কৰে। তেওঁ তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰ আৰু বিশিষ্ট স্বভাৱবোৰ টুকি ৰাখিব পৰাকৈ সদায় বেগত এখন ডায়েৰী আৰু কলম লৈ ফুৰে। এদিনাখন তেওঁ শ্ৰেণীকোঠাত লক্ষ্য কৰিছিল যে বিত্তু নামৰ ছাত্ৰজনে ৰিঙ্কু নামৰ ছাত্ৰজনক এডাল ৰঙীন পেঞ্চিল দিছিল। কিয়নো ৰিংকুৰ মাক-বাপেকে তাক পেঞ্চিল ডাল কিনি দিয়া নাছিল যিহেতু পেঞ্চিলডাল কিনিব পৰাকৈ তেওঁলোক সমৰ্থবান নাছিল। আকৌ এদিন যেতিয়া তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক লৈ এখন বেকাৰী চাবলৈ গৈছিল তেওঁ লক্ষ্য কৰিছিল যে বেকাৰীত বিস্কুট কেনেকৈ বেক্ কৰে এই বিষয়ে যথেষ্ট প্ৰশ্ন কৰিছিল। তেখেতে এই দুয়োটা পৰিঘটনা চমুকৈ লিখি ৰাখিছিল। আন এদিন আকৌ তেওঁ দেখিলে যেতিয়া ছাত্ৰ-ছাত্ৰীসকল ঘৰলৈ উভতি গৈ আছিল ৰাস্তাত তেওঁলোকে এডাল সাপ দেখিলে আৰু সীতাই অতি ঠাণ্ডা মগজুৰে বাকীবোৰক কেনেকৈ সাপডালৰ পৰা সুৰক্ষিত কৰি তাইৰ বান্ধৱীসকলক আগবঢ়াই লৈ গ'ল। পিছত সীতাৰ পৰা সম্পূৰ্ণ কাহিনীৰ বৰ্ণনা শুনি তেওঁ সীতাৰ সাহসিকতা আৰু নেতৃত্বৰ গুণটোৰ বিষয়ে লিখি থ'লে। ববী নামৰ ছাত্ৰজনে কুকুৰলৈ বৰ ভয় কৰে আৰু বান্ধৱীবোৰে তাকে লৈ তাক জোকাই। মনোৰমাই এই কথাটো জানিব পাৰিলে যেতিয়া তেওঁ এদিন দেখিলে যে সকলোৰে তাক জোকাই আছে আৰু সি সকলোকে মাৰিবলৈ খেদি ফুৰিছে আৰু ইয়াৰ কাৰণ তেওঁ তাক মাতি জানি ল'লে। মনোৰমাই তাৰ পাছত সপ্তাহত এটা দিনত এটা পোহনীয়া কুকুৰটো স্কুললৈ লৈ আহিল। এইদৰে কেইসপ্তাহমানৰ মূৰত দেখিলে যে ববীৰ কুকুৰৰ প্ৰতি থকা ভয় নিৰাময় হ'ল। এই কথাটোৰে তেওঁ তেওঁৰ উন্নয়নৰ খতিয়ান বুকত লিপিবদ্ধ কৰি থ'লে।

**অগ্ৰগতিৰ খতিয়ান -4**

মনোৰমাই কিয় এনে ঘটনা সমূহ লিপিবদ্ধ কৰিছিল/পৰ্যবেক্ষণ কৰিছিল, শিক্ষক হিচাপে আপুনি এই ৰেকৰ্ডবোৰ কিদৰে ব্যৱহাৰ কৰিব?

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................



টোকা

বিভিন্ন সময়ত বিভিন্ন পৰিঘটনাবোৰৰ পৰা শিক্ষকসকলে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ স্বভাৱ নিৰীক্ষণ কৰি ডায়েৰীত লিপিবদ্ধ কৰি ৰাখিব পাৰে আৰু বছৰৰ শেষত প্ৰতি ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে প্ৰতিজনৰ নিৰীক্ষণবোৰ একগোট কৰি কৰা খতিয়ান পত্ৰখনক Cumulative Anecdotal Records বোলা হয়।

## 9.7.3 প্ৰকল্পৰ দ্বাৰা মূল্যাংকন (মান নিৰূপণ)

EVS ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰকল্পৰ এটা বিশিষ্ট ভূমিকা আছে। প্ৰকল্পৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দুটা দিশ মূল্যাংকন কৰিব পৰা যায়- যেনে- (1) EVS পাঠ্যসূচীৰ শিকন, (2) EVS ৰ সাধাৰণ উদ্দেশ্য - সামাজিককীকৰণ কৌশল আহৰণ আৰু মূল্যবোধ আহৰণ। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে দলগত ভাৱে স্থানীয় পানীৰ ব্যৱস্থা, সেউজক্ষেত্ৰ আৰু চাৰিওফালৰ চৰাই চিৰিকতি সম্বন্ধে নিৰীক্ষণত যায়, তেতিয়া শিক্ষকজনে পাঠ্যসূচীৰ ওপৰত কৰা মূল্যাংকনৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ অন্যান্য গুণসমূহৰো মূলাংকন কৰে। উদাহৰণ স্বৰূপে—

- স্থানীয় বাসিন্দাৰ লগত কিমান ফলপ্ৰসূভাৱে কথোপকথন কৰিব পাৰে সেই সামৰ্থৰ বিষয়ে—
- প্ৰকল্পৰ প্ৰতিবেদনৰ উপস্থাপনৰ উৎকৃষ্টতা সম্বন্ধে
- সহযোগিতাৰ প্ৰকাৰ — ছাত্ৰ-ছাত্ৰীসকলক তলত দিয়া ধৰণে প্ৰশ্ন সুধিব—

  (i) যিসকল ছাত্ৰ-ছাত্ৰীয়ে সকলোতকৈ বেছি এজনে আনজনক সহায় কৰিছিল

  (ii) দলত থকা তোমাৰ বন্ধু/বান্ধৱীৰ নাম কোৱা

  (iii) দলগতভাৱে কৰা কামৰ মাজত হোৱা মতামতৰ বিৰোধিতাৰ ক্ষেত্ৰত তুমি সমাধান কৰিবলৈ সক্ষম হৈছিলা নেকি?

  (iv) সমস্যা সমাধানৰ ক্ষেত্ৰত আপোনাৰ উপায় বা যুক্তিসমূহ ব্যৱহাৰ কৰিছিল নে?
- চিন্তা আৰু ব্যাখ্যা কৰিব পৰা গুণ আৰু দৈনন্দিন জীৱনত এইবোৰৰ সম্বন্ধ স্থাপন কৰিব পৰা গুণ।

## 9.7.4 সহযোগিতাৰ প্ৰকাৰ আৰু প্ৰসাৰ

স্কুলত শিকন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ সহযোগিতামূলক পৰিঘটনা, তেওঁৰ সমনীয়া বা শিক্ষকসকলৰ লগত আলোচনা কৰিবলগীয়া হয়। শিকাৰুসকল সহযোগিতাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ হয়। কিছুমান অতি সক্ৰিয় আৰু তেওঁলোকে তেওঁলোকৰ বিচাৰ বিবেচনাবোৰ বিভিন্ন প্ৰশ্নাৱলীৰ দ্বাৰা প্ৰতিস্থাপিত কৰিব



টোকা



বিচাৰে, যদিহে তেওঁ সুবিধা পায়। সহযোগিতাৰ প্ৰকাৰৰ প্ৰসাৰতা শিক্ষণৰ ওপৰত খুব কমেইহে নিৰ্ভৰ কৰে। ইয়াৰ ফলত তেওঁলোকে লাভ কৰা জ্ঞানৰ স্থায়ীকৰণৰ প্ৰক্ৰিয়া বাঢ়ি যায় আৰু শিক্ষকৰ বাবে শিকন পৰিৱেশৰ প্ৰকাৰৰ ওপৰত প্ৰতিপুষ্টি দিয়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল এটা ডাঙৰ উৎস হৈ পৰে। আনকি সহযোগিতাৰ প্ৰকাৰ বহুখিনি ছাত্ৰ-ছাত্ৰীয়ে নিজে নিজে চাব বা মূল্যাংকন কৰিবও পাৰে।

দ্বিতীয়টো শিকাৰু দলে আকৌ শিক্ষকৰ একান্ত বাধ্য ছাত্ৰ হৈ শিক্ষকৰ বিচাৰ ধাৰা কোনো ধৰণৰ প্ৰশ্ন নকৰাকৈ নিজৰ মনতে অৱধাৰণা কৰি মানি লৈ অগ্ৰসৰ হয়। ফলস্বৰূপে প্ৰতিপুষ্টি (feedback)ৰ অবকাশ সীমিত হৈ আহে। তেওঁলোকৰ শিক্ষকৰ ওপৰত ভিত্তিৰ লক্ষণ (dependence syndrome) দেখা যায় ফলস্বৰূপে জ্ঞান স্থায়িত্বকৰণ কম হোৱা দেখা যায়। সেয়েহে এনে ক্ষেত্ৰত ফলপ্ৰসূতা মূল্যাংকনৰ অৱকাশ কম হয়।

তৃতীয় প্ৰকাৰৰ শিকাৰুবোৰ হ'ল যিসকলে শিক্ষণ প্ৰক্ৰিয়াবোৰৰ প্ৰতি বৰ বেছি আকৰ্ষিত নহয়। বাধ্যত পৰিহে তেওঁলোক শ্ৰেণীকোঠাত থাকে। তেওঁলোকে শিকা কাৰ্যটোক কম গুৰুত্ব দিয়ে, সুবিধা পালে তেওঁলোকে এই কাৰ্যৰ পৰা বিৰত থাকিব পালে ভাল পায়। তেওঁলোকে কেতিয়াবাহে শিকন কাৰ্যকলাপত অংশগ্ৰহণ কৰে বৰঞ্চ তেওঁলোকে মুখস্থ বিদ্যাৰ ওপৰতহে নিৰ্ভৰ কৰে। এনেধৰণৰ ছাত্ৰ-ছাত্ৰীৰ শিশু অৱস্থাত শ্ৰেণীকোঠাত শিক্ষকৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল হোৱাৰ ফলত কম জ্ঞানলাভ হয় আৰু মানসিক সক্ষমতা কম হয়। দুৰ্বল প্ৰকাৰৰ সহযোগিতাই শিকনকেন্দ্ৰিক মূল্যাংকনৰ ক্ষেত্ৰত কম ব্যাপকতা দেখুৱায়। এইক্ষেত্ৰত শিক্ষক হিচাপে আপুনি বিশেষধৰণৰ কাৰ্যকলাপ গ্ৰহণ কৰিব লগিব যাতে ফলপ্ৰসূ শিকনকেন্দ্ৰিক মূল্যাংকনৰ বাবে শিকাৰুৰ সহযোগিতাৰ প্ৰকাৰ আৰু প্ৰসাৰতা সক্ৰিয় কৰি ৰাখিব পাৰে।

## 9.8 সাৰাংশ

মূল্যাংকন, আনুষ্ঠানিক শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা সমীক্ষাত্মক/ বিবেচনাত্মক/ আলোচনাবাদী অংশ। শুদ্ধ মূল্যাংকন ব্যৱস্থাৰ দ্বাৰা আমি ছাত্ৰজনৰ মূল্যাংকন কৰি তেওঁ লাভ কৰিব নোৱাৰা শিকন ক্ষেত্ৰ, স্তৰবিলাক বিচাৰি উলিয়াই সেই ক্ষেত্ৰত তেওঁক সহায় কৰি শিকনীয় অৰ্হতা সম্পূৰ্ণৰূপে গ্ৰহণ কৰাব পাৰো। মূল্যাংকন ফলপ্ৰসূ হ'বলৈ হ'লে ই অবিৰতভাৱে, সামগ্ৰিক, ভৰসাযোগ্য, বাস্তৱিক, ন্যায়পূৰ্ণ আৰু পৰিস্থিতি অনুযায়ী সালসলনি কৰিব পৰা হ'ব লাগিব। শ্ৰেণীকোঠাত লোৱা মূল্যাংকনৰ প্ৰক্ৰিয়াবোৰ শিকন দুৰ্বলতাৰ চিনাক্তকৰণৰ আহিলা হিচাবে লৈ ধনাত্মক চিন্তাধাৰাৰে শিশুৰ থাকি যোৱা শিকন অৰ্হতাৰো পুনঃশিক্ষনৰ জৰিয়তে সম্পূৰ্ণতা প্ৰদান কৰি এক অৰ্থবহ শিকন



টোকা

ব্যৱস্থাৰে উন্নীত কৰিব পাৰি। এনেধৰণৰ বহুতো শিকন কেন্দ্ৰিক প্ৰক্ৰিয়াই মূল্যাংকন প্ৰক্ৰিয়াটোৰ নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

## 9.9 আত্ম উন্নয়নৰ নিৰূপণৰ বাবে চানেকী উত্তৰ চোৱা

**অগ্ৰগতিৰ খতিয়ান -1**

উত্তৰসমূহ বিষয় সাপেক্ষে আৰু আপোনাৰ অভিজ্ঞতাৰ সৈতে জড়িত। সেয়েহে আপুনি নিজেই উত্তৰটো লিখিক।

**অগ্ৰগতিৰ খতিয়ান -2**

পৰিৱেশ সাপেক্ষে পৰিস্থিতি প্ৰবৰ্তন কৰি আপোনাৰ অভিজ্ঞতাৰ পৰা উত্তৰ দিয়ক।

**অগ্ৰগতিৰ খতিয়ান-3**

পৰিৱেশ সাপেক্ষে উত্তৰ দিয়ক

**অগ্ৰগতিৰ খতিয়ান-4**

পৰিৱেশ সাপেক্ষে আপুনি বিশেষজ্ঞ হিচাবে ৰায়দান কৰক।

## 9.9 উপাদানমূলক প্ৰসংগ পুথি


- http://fcit.usf.edu/assessment/basic/basicc.html
- http://www.learningandteaching.info/teaching/assessment.htm
- learnline.cdu.edu.au/t4l/teachinglearning/**assessment**vet.html
- www.cal.org/flad/tutorial/**reliability**/3and**valid**ity.html


## 9.10 সম্পূৰ্ণ গোটৰ অনুশীলনী ঃ

(1) যোৱা বছৰ আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যাংকনৰ বাবে লোৱা বিভিন্ন ক্ৰিয়াসমূহ আলোচনা কৰক। আপুনি ব্যৱহাৰ কৰা মুখ্য মূল্যাংকন প্ৰক্ৰিয়াবোৰ লিখক। প্ৰত্যেকটো ফলপ্ৰসূতা সম্বন্ধে সমালোচনা কৰক।

(2) দলগত কাৰ্যকলাপৰ পৰিৱেশৰ পৰা আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ মূল্যাংকন কৰা অভিজ্ঞতা বৰ্ণনা কৰক। তাৰ বাবে আপুনি কি কি মুখ্য কথা মান নিৰূপণৰ বাবে লৈছিল লিখক।